**"মৰমৰ সন্তানসকল – তোমালোক এই সময়ত পিতাৰ সৈতে সেৱাত সহায়ক হৈছা সেইবাবে তোমালোকৰ সোঁৱৰণ হয়, পূজন নহয়, কিয়নো শৰীৰ অপৱিত্ৰ"**

প্ৰশ্ন: কোনটো নিচা তোমালোক সন্তানসকলৰ বুদ্ধিত নিৰন্তৰ থকা উচিত?

উত্তৰ: আমি শিৱবাবাৰ সন্তান, তেওঁৰ পৰা ৰাজযোগ শিকি স্বৰ্গৰ বাদশ্বাহীৰ উত্তৰাধিকাৰ লওঁ, এইটো নিচা তোমালোকৰ নিৰন্তৰ থকা উচিত। বিশ্বৰ মালিক হ'বলৈ হ'লে বহুত সাৱধানে পঢ়িব আৰু পঢ়াব লাগে। কেতিয়াও পিতাৰ নিন্দা কৰাব নালাগে। কাৰো সৈতে হাই-কাজিয়া কৰিব নালাগে। তোমালোক কড়িৰ পৰা হীৰাতুল্য হোৱা সেয়েহে ভালদৰে ধাৰণা কৰিব লাগে।

গীত: জো পিয়া কে সাথ হে... (যি প্ৰিয়তমৰ লগত আছে...)

ওঁম্ শান্তি। সন্তানসকলে বুজিলে। যি পিতাৰ লগত আছে তেওঁলোক বাপদাদাৰ লগত আছে। এতিয়াতো ডবল (দ্বৈত) হয় নহয়। এয়া ভালদৰে বুজোৱা হয় - ব্ৰহ্মাৰ দ্বাৰা পৰমপিতা পৰমাত্মা শিৱই স্থাপন কেনেকৈ কৰিব? সেয়াতো নাজানে। তোমালোক সন্তানসকলেহে জানা তেওঁৰ নিজৰ শৰীৰ নাই। শ্ৰীকৃষ্ণৰতো নিজৰ শৰীৰ আছে। এনেকৈতো ক'ব নোৱাৰি যে পৰমাত্মা শ্ৰীকৃষ্ণৰ শৰীৰৰ দ্বাৰা... নহয়। শ্ৰীকৃষ্ণতো হ'ল সত্যযুগৰ ৰাজকুমাৰ। পৰমপিতা পৰমাত্মাই ব্ৰহ্মাৰ দ্বাৰা স্থাপনা কৰায় তেন্তে নিশ্চয় ব্ৰহ্মাৰ শৰীৰত প্ৰৱেশ কৰিলগীয়া হয়। আন একো উপায় নাই। প্ৰেৰণা আদিৰ কথা নাই। পিতাই ব্ৰহ্মাৰ দ্বাৰা সকলো বুজাই দিয়ে। বিজয় মালা যাক ৰুদ্ৰ মালা বুলি কোৱা হয়, যাক মনুষ্যই পূজা কৰে, সোঁৱৰণ কৰে। তোমালোক সন্তানসকলে বুজি পোৱা এই ৰুদ্ৰ মালা কেৱল সোঁৱৰণ কৰা হয়। মেৰু বুলিতো কোৱা হয় ব্ৰহ্মা-সৰস্বতীক। বাকী মালা হ'ল সন্তানসকলৰ। বিষ্ণুৰ মালাতো এধাৰি, পূজা কৰিব পাৰি। এই সময়ত তোমালোক পুৰুষাৰ্থী। তোমালোকৰ অন্তত সোঁৱৰণ হয়। আত্মাৰ মালা নে জীৱ আত্মাসকলৰ মালা? প্ৰশ্ন উদয় হয় নহয়। বিষ্ণুৰ মালাকতো চৈতন্য জীৱ আত্মাসকলৰ মালা বুলি ক'ব। লক্ষ্মী-নাৰায়ণক পূজা কৰা কিয়নো তেওঁলোকৰ আত্মা আৰু শৰীৰ দুয়োটাই পৱিত্ৰ। ৰুদ্ৰ মালাতো কেৱল আত্মাসকলৰ হয় কিয়নো শৰীৰতো অপৱিত্ৰ। সেয়াতো পূজা কৰিব নোৱাৰি। আত্মাক কেনেকৈ পূজা কৰা হয়? তোমালোকে কোৱা ৰুদ্ৰ মালাৰ পূজা কৰা হয়। কিন্তু নহয়, পূজা কৰা নহয়। য'ত নামেই হ'ল সোঁৱৰণি। যিয়েই মণি আছে সেয়া তোমালোক সন্তানসকলৰ সোঁৱৰণ হয়, যেতিয়া শৰীৰত থাকা। মণিতো ব্ৰাহ্মণসকলৰ হয়। সোঁৱৰণ কাক কৰে? এয়াতো কোনেও নাজানে। এয়া হ'ল ব্ৰাহ্মণ যিসকলে ভাৰতৰ সেৱা কৰে। তেওঁলোকক স্মৰণ কৰে। জগত অম্বা দেৱী আদি বহুত আছে, তেওঁলোকক স্মৰণ কৰা উচিতনে? পূজা কৰাৰ যোগ্য লক্ষ্মী-নাৰায়ণ হয়। তোমালোক নোহোৱা, কিয়নো তোমালাকৰ শৰীৰ পতিত। আত্মা পৱিত্ৰ হয় কিন্তু আত্মাৰ পূজা কৰিব নোৱাৰি, সোঁৱৰিব পাৰি। কোনোবাই তোমালোকক সুধিলে তেতিয়া বুজাব পাৰিব লাগে। তোমালোক হৈছা ব্ৰাহ্মণী। তোমালোকৰ স্মৃতিচিহ্ন দেৱীৰ ৰূপত আছে। তোমালোকে শ্ৰীমতত নিজে পৱিত্ৰ হোৱা সেয়েহে এই মালা প্ৰথমে ব্ৰাহ্মণসকলৰ বুলি বুজিব লাগে পাছত দেৱতাসকলৰ। বিচাৰ সাগৰ মন্থন কৰিলে ফলাফল ওলাব। যেতিয়া আত্মাসকল শালগ্ৰামৰ ৰূপত থাকে তেতিয়া পূজা কৰা হয়। শিৱৰ পূজা হয় তেতিয়া শালগ্ৰামৰো হয় কিয়নো আত্মা পৱিত্ৰ, শৰীৰ নহয়। সোঁৱৰণ কেৱল তোমালোকৰ কৰা হয় কিয়? তোমালোকে শৰীৰ সহিত সেৱা কৰা। তোমালোকৰ পূজা হ'ব নোৱাৰে আকৌ যেতিয়া শৰীৰ ত্যাগ কৰা তেতিয়া তোমালোকৰো শিৱৰ লগত পূজা কৰা হয়। বিচাৰ কৰা হয় নহয়। তোমালোক এই সময়ত হৈছা ব্ৰাহ্মণ। শিৱবাবাও ব্ৰহ্মাৰ শৰীৰত আছে গতিকে ব্ৰহ্মাও সাকাৰত আছে। তোমালোকে যত্ন কৰা। এই মালা যেন সাকাৰী। ব্ৰহ্মা সৰস্বতী আৰু তোমালোক জ্ঞান গংগা। তোমালোকে ভাৰতক স্বৰ্গ কৰি তুলিলা, এই ৰুদ্ৰ যজ্ঞ ৰচিলা। যাক পূজা কৰা হয় সেয়া কেৱল শিৱ আৰু শালগ্ৰাম। তাত ব্ৰহ্মা-সৰস্বতীৰ অথবা তোমালোক সন্তানসকলৰ নাম নাই। ইয়াততো সকলোৰে নাম আছে। তোমালোকৰ সোঁৱৰণ কৰে। কোন কোন জ্ঞান গংগা আছিল। তেওঁতো হ'ল জ্ঞান সাগৰ। এওঁ হ'ল ব্ৰহ্মপুত্ৰ ডাঙৰ নদী। এওঁ ব্ৰহ্মা মাতাও হয়। সাগৰ এখন, বাকী গংগাতো ভিন্ন ভিন্ন প্ৰকাৰৰ হয়। ক্ৰমানুসৰি যাৰ ভাল জ্ঞান আছে, তেওঁক সৰোবৰ বুলি কোৱা হয়। মহিমাও আছে। এনেকৈ কয় যে মান সৰোবৰত স্নান কৰিলে 'পৰীজাদা' হৈ যায়। গতিকে তোমালোকৰ মালা সোঁৱৰণ কৰা হয়। মালা সোঁৱৰা বুলি কোৱা হয় নহয়। সোঁৱৰণ কৰা, তেওঁলোকেতো কেৱল 'ৰাম ৰাম' বুলি কয়। কিন্তু তোমালোকে জানা সোঁৱৰণ কাৰ হ'ব? যিয়ে বেছিকৈ সেৱা কৰে। প্ৰথমতেতো বাবা হ'ল ফুল তাৰপাছত মেৰু, যিসকলে বহুত যত্ন কৰে তাৰপাছত ৰুদ্ৰ মালা তথা বিষ্ণুৰ মালা হয়। কেৱল তোমালোক আত্মাসকলৰ পূজা কৰা হয়। তোমালোকে এতিয়া সোঁৱৰণৰ যোগ্য হোৱা।

তোমালোকক সোঁৱৰা হয়। বাকী পূজা হ'ব নোৱাৰে কিয়নো আত্মা পৱিত্র, শৰীৰ অপৱিত্র। অপৱিত্র বস্তুৰ কেতিয়াও পূজা কৰা নহয়। অন্তত যেতিয়া তোমালোক শুদ্ধ (পৱিত্র) হৈ যোৱা তেতিয়া ৰুদ্র মালাৰ হোৱাৰ যোগ্য হৈ যোৱা। তোমালোকৰ সাক্ষাৎকাৰ হ'ব সন্মান সহকাৰে কোন কোন হয়। সেৱা কৰিলে নাম বহুত মহিয়ান হৈ যায়। গম পোৱা যাব – বিজয় মালাত ক্রমানুসৰি কোন কোন আহিব! এই কথাবোৰ অতি গূঢ়।

মনুষ্যইতো কেৱল 'ৰাম ৰাম' বুলি কয়। খ্রীষ্টানসকলে যীশুখ্রীষ্টক স্মৰণ কৰে। মালা কাৰ হ'ব? ভগৱানতো এজন। বাকী যিসকল ওচৰত বহে তেওঁলোকৰ মালা গঁথা হ'ব। এই মালাক তোমালোকে এতিয়া কেৱল বুজিব পাৰা। নিজৰ আদি সনাতন দেৱী-দেৱতা ধর্মাৱলম্বীসকলেই বুজিব নোৱাৰে তেন্তে আনে কেনেকৈ বুজিব। সকলোকে পতিতৰ পৰা পাৱন কৰি তোলোঁতাতো এজন পিতাই হয়। যীশুখ্রীষ্টৰ ক্ষেত্রত এনেকৈ নকয় যে তেওঁ পতিতক পাৱন কৰি তোলোঁতা হয়। তেৰোঁ জন্ম-মৰণত আহি অৱনমিত হ'বলগীয়া হয়েই। বাস্তৱত তেওঁক গুৰু বুলিও নকয় কিয়নো সকলোৰে সৎগতিদাতা এজন পিতাই হয়। সেয়াতো যেতিয়া অন্ত হ'ব, বৃক্ষ জৰাজীর্ণ হ'ব তেতিয়া পিতা আহি সকলোকে সৎগতি দিয়ে। ধর্ম প্রৱর্তন কৰিবলৈ আত্মা ওপৰৰ পৰা আহে। আত্মাতো জন্ম-মৰণত আহিব লাগে। সৎগুৰু এজনেই। তেওঁ সকলোৰে সৎগতিদাতা। সঁচা সৎগুৰু কোনো মনুষ্য হ'ব নোৱাৰে। তেওঁলোকতো কেৱল আহেই ধর্ম প্রৱর্তন কৰিবলৈ, তেওঁলোকৰ পিছে পিছে সকলোৰে ভূমিকা পালন কৰিবলৈ আহিবলৈ ধৰে। যেতিয়া সকলোৰে তমোপ্রধান অৱস্থা প্রাপ্ত কৰে তেতিয়া মই আহি সকলোৰে সৎগতি কৰোঁ। সকলো উভতি যায় তাৰপাছত নতুনকৈ চক্র আৰম্ভ হয়। তোমালোকে ৰাজযোগ শিকা। তেওঁলোকেই ৰাজ্য পাব ৰজাই হওক বা প্রজাই হওক। প্রজাতো অনেক হয়। ৰজাৰ পদ পাবলৈ যত্ন কৰিবলগীয়া হয়। অন্তত সকলো গম পোৱা যাব। কোন বিজয় মালাত গঁথা যায়। নপঢ়াসকলে পঢ়াসকলৰ আগত মূৰ দোৱাব। সত্যযুগত আহিব কিন্তু চাকৰ-লগুৱা হ'ব লাগিব। এয়া সকলোৰে গম পাই যাব। যেনেকৈ পৰীক্ষাৰ দিনা সকলোৰে গম পাই যায় যে কোন কোন উত্তীর্ণ হ'ব। পঢ়াৰ প্রতি মনোযোগ নাথাকিলে তেতিয়া অনুত্তীর্ণ হৈ যায়। তোমালোকৰ এয়া হ'ল বেহদৰ পঢ়া। ঈশ্বৰীয় বিশ্ব বিদ্যালয়তো এখনেই, য'ত মনুষ্যৰ পৰা দেৱতা হ'ব লাগে, তাত ক্রমানুসৰি উত্তীর্ণ হয়। পঢ়া কেৱল ৰাজযোগৰ, ৰজাৰ পদ পাবলৈ যত্ন কৰিবলগীয়া হয় আৰু সেৱাও কৰিব লাগে। যিসকল ৰজা হ'ব তেওঁলোকে আকৌ নিজৰ প্রজাও তৈয়াৰ কৰিব লাগে। ভাল ভাল কন্যাসকলে ডাঙৰ ডাঙৰ সেৱাকেন্দ্রৰ তত্ত্বাৱধান লয়, বহুত প্রজা তৈয়াৰ কৰে। বাবায়ো কয়, ডাঙৰ বাগিচা তৈয়াৰ কৰা তেতিয়া বাবায়ো আহি চাব। এতিয়াতো বহুত সৰু। বোম্বাইততো (এতিয়া মুম্বাই) লাখ লাখ হৈ যাব। সূর্যবংশীতো গোটেই ৰাজবংশ হয় গতিকে অনেক হৈ যাব। যিসকলে যত্ন কৰে তেওঁলোক ৰজা হয় বাকী প্রজাতো হৈ গৈ থাকিব। গায়নো আছে – হে প্রভু তোমাৰ সৎগতিৰ লীলা। তোমালোকে কোৱা বাঃ বাবা! আপোনাৰ গতি-মত... সকলোকে সৎগতি কৰাৰ শ্রীমত, এয়া সকলোতকৈ অনন্য। পিতাই লগত লৈ যায়, এৰি থৈ নাযায়। নিৰাকাৰী, আকাৰী, সাকাৰী লোককো নাজানে। কেৱল সৃষ্টিৰ আদি-মধ্য-অন্তক জনা সেয়াও সম্পূর্ণ জ্ঞান নহয়। প্রথমেতো মূললোকক জানিবলগীয়া হয়। য'ত আমি আত্মাসকল থাকোঁ। এই গোটেই সৃষ্টি চক্রক জানিলে তোমালোক চক্রৱর্তী ৰজা হোৱাগৈ। এই সকলোবোৰ কিমান বুজিবলগীয়া কথা। তেওঁলোকেতো কৈ দিয়ে শিৱ নাম-ৰূপৰ পৰা উর্দ্ধত। চিত্রও আছে তথাপিও কয় নাম-ৰূপৰ পৰা উর্দ্ধত। আকৌ সর্বব্যাপী বুলি কৈ দিয়ে। এজন এম.পি.য়ে (সাংসদে) কৈছিল যে মই এইটো নামানো যে ঈশ্বৰ সর্বব্যাপী। মনুষ্যই এজনে আনজনক মাৰে, এয়া কি ঈশ্বৰৰ কাম জানো? আগলৈ গৈ এই কথাবোৰ বুজিব। যেতিয়া তোমালোকৰো বৃদ্ধি হ'ব। বাবাই ৰাতিও বুজাইছিল যিসকলে নিজক বুদ্ধিমান বুলি ভাবে তেওঁলোকে এনেকুৱা চিঠি লিখা। এই সম্পূর্ণ জ্ঞান কি, তেওঁলোকক বুজোৱা উচিত। তোমালোকে লিখিব পাৰা যে আমি সম্পূর্ণ জ্ঞান দিব পাৰোঁ। মূললোকৰ জ্ঞান দিব পাৰোঁ। নিৰাকাৰ পিতাৰো পৰিচয় দিব পাৰোঁ আকৌ প্রজাপিতা ব্রহ্মা তেওঁৰ ব্রাহ্মণ ধর্মৰ বিষয়েও বুজাব পাৰোঁ। লক্ষ্মী-নাৰায়ণ তাৰপাছত ৰাম-সীতা তেওঁলোকৰ ৰাজবংশ কেনেকৈ চলে, আকৌ তেওঁলোকৰ বাদশ্বাহী কোনে কাঢ়ি লয়, সেই স্বর্গ ক'লৈ গ'ল। যেনেকৈ কোৱা হয় – নৰক ক'লৈ গ'ল? সমাপ্ত হৈ গ'ল। স্বর্গও সমাপ্ত হৈ যাব। সেই সময়তো ভূমিকম্প আদি হয়। সেই হীৰা-মুকুতাৰ মহল আদি এনেকৈ তললৈ গ'ল যাক কোনেও উলিয়াই আনিব নোৱাৰে। সোণ হীৰা-মুকুতাৰ মহল কেতিয়াও তলৰ পৰা ওলোৱা নাই। সোমনাথ আদি মন্দিৰতো পাছত নির্মাণ কৰা হৈছে, তাতকৈতো তেওঁলোকৰ ঘৰ উচ্চ হ'ব। লক্ষ্মী-নাৰায়ণৰ ঘৰ কেনেকুৱা হ'ব? সেই সকলো সম্পত্তি ক'লৈ গ'ল? এনেকুৱা কথাবোৰ যেতিয়া বিদ্বানসকলে শুনিব তেতিয়া আচম্বিত হ'ব, এওঁলোকৰ জ্ঞান শক্তিশালী। মনুষ্যইতো একোৱেই নাজানে কেৱল সর্বব্যাপী বুলি কৈ দিয়ে। এই সকলোবোৰ বুজিব আৰু বুজাবলগীয়া কথা। তোমালোকে ধন পোৱা আকৌ দান কৰিব লাগে। বাবাই তোমালোকক দি গৈ থাকে, তোমালোকেও দি গৈ থাকা। এয়া অসীমিত সম্পদ, সকলো ধাৰণাৰ ওপৰত নির্ভৰ কৰে। যিমান ধাৰণা কৰিবা সিমান উচ্চ পদ পাবা। খেয়াল কৰা ক'ত কড়ি, ক'ত হীৰা। হীৰাৰ মূল্য সকলোতকৈ বেছি। কড়িৰ মূল্য সকলোতকৈ কম। এতিয়া তোমালোক কড়িৰ পৰা হীৰা হোৱা। এই কথাবোৰ কেতিয়াও কাৰো সপোনতো নাহিব। কেৱল বুজিব

লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল, যি পাৰ হৈ গৈছে। বাকী এই ৰাজ্য কেতিয়া কোনে দিলে, এয়া একোৱেই নাজানে। ৰাজ্য কোনে দিলে? ইয়াততো একোৱেই নাই। ৰাজযোগৰ দ্বাৰা স্বৰ্গৰ ৰাজ্য পোৱা যায়। এয়া আচৰিত নহয় জানো। সন্তানসকলৰ বুদ্ধিত নিচা থকা উচিত। কিন্তু মায়াই আকৌ সেই নিচা স্থায়ী হৈ থাকিবলৈ নিদিয়ে। আমি শিৱবাবাৰ সন্তান। এই জ্ঞান আহৰণ কৰি আমি বিশ্বৰ মালিক হ'ম। এয়া কেতিয়াবা কাৰোবাৰ বুদ্ধিত উদয় হৈছে জানো! সেয়েহে পিতাই বুজায় - সন্তানসকলে কিমান যত্ন কৰা উচিত। গুৰুৰ নিন্দকে উচ্চ পদ পাব নোৱাৰে। এয়া ইয়াৰ কথা। তেওঁলোকৰতো লক্ষ্য-উদ্দেশ্যই নাই। তোমালোকৰতো লক্ষ্য-উদ্দেশ্য আছে। পিতা-শিক্ষক-গুৰু তিনিওজনেই আছে। তোমালোকে জানা – এই পঢ়াৰ দ্বাৰা আমি বিশ্বৰ মালিক হওঁ। কিমান সাৱধানতাৰে পঢ়িব আৰু পঢ়াব লাগে। এনেকুৱা যাতে কোনো কথা নহয় যিয়ে নিন্দা কৰাই দিব। কাৰো লগত হাই-কাজিয়া কৰিব নালাগে। সকলোকে মধুৰতাৰে ক'ব লাগে। পিতাৰ পৰিচয় দিব লাগে। পিতাই কয় – দান দিয়া তেতিয়া গ্ৰহণ আঁতৰিব। প্ৰথম নম্বৰৰ দান হ'ল দেহ-অভিমান। এই সময়ততো তোমালোক আত্ম-অভিমানী আৰু পৰমাত্ম-অভিমানী হোৱা। এইটো অমূল্য জীৱন। পিতাই কয় – কল্পই কল্পই মই তোমালোকক এনেকৈ পঢ়াবলৈ আহোঁ আকৌ তোমালোকে পাহৰি যোৱা। এয়াও ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) সকলোৰে সৈতে মধুৰতাৰে বাৰ্তালাপ কৰিব লাগে, এনেকুৱা কোনো কাম কৰিব নালাগে যাৰ দ্বাৰা পিতাৰ নিন্দা হয়। দেহ-অভিমান দান কৰি আত্ম-অভিমানী আৰু পৰমাত্ম-অভিমানী হ'ব লাগে।

(2) যি জ্ঞান ধন পোৱা যায় সেয়া দান কৰিব লাগে, পঢ়াৰ দ্বাৰা বাদশ্বাহী পোৱা যায় এইটো নিচাত স্থায়ী হৈ থাকিব লাগে। মনোযোগ দি পাঠ পঢ়িব লাগে।।

**বৰদান:** সাক্ষীবোধৰ আসনৰ দ্বাৰা অশান্তি শব্দ সমাপ্ত কৰোঁতা মাষ্টৰ ত্ৰিকালদৰ্শী হোৱা

এই ড্ৰামাখনত যিয়েই হয় তাত কল্যাণ সমাহিত হৈ আছে, বুদ্ধিমানৰ মনত 'কিয়', 'কি'- এই প্ৰশ্নবোৰ উদয় হ'ব নোৱাৰে। লোকচানতো কল্যাণ সমাহিত হৈ আছে, পিতাৰ সংগ আৰু হাত থাকিলে অকল্যাণ হ'ব নোৱাৰে। এনেকুৱা সম্ভ্ৰমৰ আসনত থাকা, তেতিয়া কেতিয়াও অশান্ত হ'ব নোৱাৰা। সাক্ষীবোধৰ আসনে অশান্তি শব্দ শেষ কৰি দিয়ে, সেইবাবে ত্ৰিকালদৰ্শী হৈ প্ৰতিজ্ঞা কৰা যে অশান্তও নহওঁ আৰু অশান্তিৰ সৃষ্টিও নকৰোঁ।

**শ্লোগান:** নিজৰ সকলো কৰ্মেন্দ্ৰিয় আদেশ অনুসৰি চলোৱা মানেই স্বৰাজ্য অধিকাৰী হোৱা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত**:** নিশ্চয়তাৰ ভেটী মজবুত কৰি সদায় নিৰ্ভয় আৰু নিশ্চিন্ত হৈ থাকা

নিশ্চয়বুদ্ধিৰ অৰ্থ হ'ল নিচিন্ত বাদশ্বাহ, তেৱেঁই পিতাৰ সমান। বিনাশী ধন থকাসকলে যিমানেই উপাৰ্জন নকৰক কিয়, সময় অনুসৰি চিন্তাত থাকে। কিন্তু যাৰ বিশ্বাস আছে যে মই ঈশ্বৰীয় সম্পদৰ মালিক আৰু পৰমাত্ম সন্তান, তেওঁ সদায় সপোনতো নিশ্চিন্ত বাদশ্বাহ, কিয়নো তেওঁৰ বিশ্বাস আছে যে এই ঈশ্বৰীয় সম্পদ কেৱল এইটো জন্মতে নহয় অনেক জন্ম লগত আছে, লগত থাকিব সেই কাৰণে তেওঁ সদায় নিশ্চয়বুদ্ধিৰ, নিশ্চিন্ত হৈ থাকে।

[বি:দ্ৰ: - ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]